# কোনাকৰ সূৰ্য মন্দিৰৰ কাহিনী

## অসমীয়া

**প্ৰশ্ন ১ : উত্তৰ লিখা :**

**(ক) কোনাৰ্কৰ সূৰ্য মন্দিৰটো কোন শতিকাত নিৰ্মাণ কৰা হৈছিল ?**

**উত্তৰ :** তেৰ শতিকাত।

**(খ) উৰিষ্যাৰ পুৰণি নাম কি ?**

**উত্তৰ :** উৎকল।

**(গ) সূৰ্য মন্দিৰ নিৰ্মাণৰ মূল কলাকাৰ্জন কোন আছিল ?**

**উত্তৰ :** বিশু।

**(ঘ) ধৰ্মপদ কোন আছিল ?**

**উত্তৰ :** ধৰ্মপদ বিশুৰ পুত্ৰ তথা পিতৃৰ দৰেই এগৰাকী স্থাপত্য শিল্পী আছিল।

**(ঙ) ধৰ্মপদে কাৰ আগত নিজৰ পৰিচয় দিছিল ?**

**উত্তৰ :** বিশুৰ শিষ্য ৰাজীৱৰ আগত।

(চ) কোনটো কাহিনীৰ আধাৰত মন্দিৰটো নিৰ্মাণ হৈছিল ?

**উত্তৰ :** "ভগৱান সূৰ্যৰ ৰথত সাতটা ঘোঁৰা যুতি থোৱা আছে, যি সদায় আগলৈ ধাৱমান হৈ থাকে।"— এই কাহিনীৰ আধাৰত মন্দিৰটো নিৰ্মাণ কৰা হৈছিল।

**(ছ) কোন ৰজাৰ দিনত সূৰ্য মন্দিৰ নিৰ্মাণ হৈছিল ?**

**উত্তৰ :** নৰসিংহৰ দিনত।

**(জ) সূৰ্য মন্দিৰটো কিমানজন শিল্পীয়ে কিমান দিনত নিৰ্মাণ কৰিছিল ?**

**উত্তৰ :** বাৰশ শিল্পীয়ে বাৰ বছৰত নিৰ্মাণ কৰিছিল।

**প্ৰশ্ন ২ : ৰজা নৰসিংহই কিহৰ বাবে সূৰ্য মন্দিৰ নিৰ্মাণ কৰাৰ সংকল্প লৈছিল ?**

**উত্তৰ:** মাতৃৰ অন্তিম ইচ্ছা পূৰণ কৰাৰ বাবে।

**প্ৰশ্ন ৩ : ৰজা নৰসিংহৰ মাতৃয়ে কি কাৰণত সূৰ্য মন্দিৰটো নিৰ্মাণ কৰাব বুলি মনতে স্থিৰ কৰিছিল।**

**উত্তৰ :** ৰজা নৰসিংহৰ মাতৃৰ বহুদিনলৈ কোনো সন্তান-সন্ততি নাছিল। এদিন এজন সন্ন্যাসীয়ে সন্তান লাভৰ বাবে সূৰ্যক আৰাধনা কৰিবলৈ তেওঁক উপদেশ দিয়াত সেই উপদেশ মৰ্মে সূৰ্যক আৰাধনা কৰাৰ পাছত তেওঁ এটি পুত্ৰ সন্তান লাভ কৰে।সন্তানটিৰ নাম ৰখা হৈছিল নৰসিংহ। সূৰ্যক আৰাধনা কৰাৰ ফলত পুত্ৰ লাভ কৰা বাবে নৰসিংহৰ মাতৃয়ে সূৰ্য মন্দিৰ এটা নিৰ্মাণ কৰাব বুলি মনতে স্থিৰ কৰিছিল।

**প্ৰশ্ন ৪ : তলত দিয়া শব্দবোৰৰ অৰ্থ লিখা :**

**স্থাপত্য ভাস্কৰ্য, গৌৰৱ, ভাৰ, আৰাধনা, সাৰোগত, ভূয়সী।**

**উত্তৰ :**

| | |
|---|---|
| স্থাপত্য | গৃহনিৰ্মাণ কাৰ্য, স্থপতি শিক্ষা। |
| ভাস্কৰ্য | শিল, ধাতু আদি খোদাই কৰি বা কাটি মূৰ্তি সজা কাৰ্য। |
| গৌৰৱ | গৰিমা, মৰ্যাদা। |
| ভাৰ | কোনো কাম কৰিবলৈ দিয়া দায়িত্ব। |
| আৰাধনা | উপাসনা, পূজা-সেৱা। |
| সাৰোগত | অতি প্ৰয়োজনীয় বুলি মানি লোৱা। |
| ভূয়সী | বহুল, প্ৰচুৰ। |